# গুৱাহাটী উচ্চ ন্যায়ালয়

## (অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**<u>গোচৰ নং : মটৰ দুৰ্ঘটনা দাবী আপীল নং 0১/২০২১</u>**

নিউ ইণ্ডিয়া এছ্যুৰেন্স কোম্পানী লিমিটেড। ইয়াৰ পঞ্জীভুক্ত আৰু মুখ্য কাৰ্যালয় নিউ ইণ্ডিয়া এছ্যুৰেন্স বিল্ডিং, ৮৭, মহাত্মা গান্ধী ৰোড, ফৰ্ট, মুম্বাই- ৪০০০১ত আৰু ইয়াৰ আঞ্চলিক কাৰ্যালয়, জি.এছ. ৰোড, গুৱাহাটী-৫ত অৱস্থিত। ইয়াক মুখ্য আঞ্চলিক মেনেজাৰে প্ৰতিনিধিত্ব কৰিছে।

**বনাম**

মোছা: নুৰজাহান বেগম লস্কৰ আৰু আন 6 জন
স্বামী- স্বৰ্গীয় ফকাৰ উদ্দিন লস্কৰ,
গাওঁ:- বিদ্ৰুইপাৰ, ডাকঘৰ:- হাতীখাল বজাৰ,
থানা:- কচুদাৰম, জিলা- কাছাৰ, অসম।

২। মো: ফেৰদৌছ আমিন লস্কৰ
গাওঁ:- বিদ্ৰুইপাৰ, ডাকঘৰ:- হাতীখাল বজাৰ,
থানা:- কচুদাৰম, জিলা- কাছাৰ, অসম।

৩। মিছ মাজুমা বেগম লস্কৰ
গাওঁ:- বিদ্ৰুইপাৰ, ডাকঘৰ:- হাতীখাল বজাৰ,
থানা:- কচুদাৰম, জিলা- কাছাৰ, অসম।

৪। মো: আজাদ হুছেইন লস্কৰ

গাওঁ:- বিদ্রুইপাৰ, ডাকঘৰ:- হাতীখাল বজাৰ,

থানা:- কচুদাৰম, জিলা- কাছাৰ, অসম।

৫।মো: ছাজ্জাদ হুছেইন লস্কৰ

গাওঁ:- বিদ্রুইপাৰ, ডাকঘৰ:- হাতীখাল বজাৰ,

থানা:- কচুদাৰম, জিলা- কাছাৰ, অসম।

৬। মো:- আব্দুল্লা চৌধুৰী, পিতা:- তায়াব আলী

গাওঁ- থাইৰাবাদ ফৰেষ্ট ভিলেজ

ডাকঘৰ আৰু থানা:- জিৰিঘাট জিলা- কাছাৰ অসম।

৭।মো: বাবাৰেল চৌধুৰী, পিতা:- জামাল উদ্দিন

গাওঁ- নিউ থায়েৰাবাদ

ডাকঘৰ আৰু থানা:- জিৰিঘাট জিলা- কাছাৰ অসম।

## মাননীয় ন্যায়াধীশ শ্ৰীযুত সঞ্জয় কুমাৰ মেধিৰ আদালত

### বিচাৰ আৰু আদেশ

আবেদনকাৰীৰ অধিবক্তা: শ্ৰী এছ দত্ত, জ্যেষ্ঠ অধিবক্তা

শ্ৰীমতী এম চৌধুৰী, অধিবক্তা

প্ৰতিপক্ষগণৰ অধিবক্তা: শ্ৰী এম চৌধুৰী, অধিবক্তা

শুনানিৰ তাৰিখ : ২১/০৬/২০২৪

বিচাৰৰ তাৰিখ : ২১/০৬/২০২৪

১।এই আপীল ৫০/২০১৬ নং মটৰ দুৰ্ঘটনা দাবী গোচৰত বিদ্বান মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ কাচাৰে ১৭.০২.২০২০ তাৰিখৰ ৰায়দানৰ বিৰুদ্ধে মটৰ গাড়ী আইন, ১৯৮৮ৰ ১৭৩ নং ধাৰাত দাখিল কৰা হৈছে। আপীলকাৰী হৈছে বীমা কোম্পানী। বিবাদিত ৰায়দানৰ দ্বাৰা বিদ্বান ন্যায়াধিকৰণে বছৰি ৭% সুত @ৰ সৈতে ২৪,৩২,৫০০/- টকা (চৌবিশ লাখ বত্ৰিশ হাজাৰ টকা) ক্ষতিপূৰণ প্ৰদান কৰিছে।

২) আপীলকাৰীৰ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী এছ দত্ত আৰু তাক সহযোগ কৰা বিদ্বান অধিবক্তা শ্ৰীমতী এম চৌধুৰীৰ যুক্তি শুনা হ'ল। প্ৰতিপক্ষগণ–দাবীদাৰসকলৰ বিদ্বান অধিবক্তা শ্ৰী এম চৌধুৰীৰ যুক্তিও শুনা হ'ল।

৩/ কাছাৰ জিলাত ১৬.০৯.২০১৫ তাৰিখে সংঘটিত হোৱা পথ দুৰ্ঘটনাত ফকৰ উদ্দিন লস্কৰৰ মৃত্যুৰ বাবে এই দাবী কৰা হৈছিল।

৪) বিদ্বান জ্যেষ্ঠ অধিবক্তাই শ্ৰী দত্তই কয় যে বৰ্তমানৰ আপীল তলত উল্লেখ কৰা দুটা মৌলিক ভিত্তিত দাখিল কৰা হৈছে। প্ৰথমতে, এইটো কোৱা হৈছে যে বিদ্বান ন্যায়াধিকৰণে মৃতকৰ মাহিলী দৰমহা ১৪,০০০/- টকা (চৈধ্য হাজাৰ টকা)ৰ পৰিবৰ্তে ১৫,০০০/- টকা (পোন্ধৰ হাজাৰ টকা) বুলি বিবেচনা কৰাত ভুল হৈছিল। দ্বিতীয়তে, এইটো কোৱা হয় যে ভৱিষ্যতৰ সম্ভাৱনাৰ ওপৰতো সুত পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। এইটো যুক্তি দিয়া হয় যে ভৱিষ্যতৰ সম্ভাৱনাৰ ওপৰত কোনো সুত প্ৰদান কৰা নহয়।

৫) দাবীকাৰীসকলৰ বিদ্বান পৰামৰ্শদাতা শ্ৰী চৌধুৰীয়ে ন্যায্যভাৱে দাখিল কৰে যে ওপৰত উল্লেখ কৰা দুটা দিশৰ ওপৰত বিদ্বান ন্যায়াধিকৰণৰ ফলাফলবোৰ নিষ্পত্তি

হোৱা আইনৰ কঠোৰ অনুপালনত থকা বুলি ধৰিব নোৱাৰি। অৱশ্যে তেওঁ দাখিল কৰে যে পৰিশোধ কৰিবলৈ নিৰ্দেশিত ক্ষতিপূৰণ এজন ব্যক্তিৰ মৃত্যুৰ বাবে আৰু সেয়েহে, আইনখনৰ উদ্দেশ্য বিবেচনা কৰি এক উদাৰ ব্যাখ্যাৰ প্ৰয়োজন।

৬) পূৰ্বতে উল্লেখ কৰা দুটা আপীলৰ ভিত্তি পৰীক্ষা কৰা হৈছে আৰু দেখা গৈছে যে মৃতকৰ মাহিলী আয় ১৫,০০০/- টকা (পোন্ধৰ হাজাৰ টকা) হিচাপে গ্ৰহণ কৰাৰ ক্ষেত্ৰত বিদ্বান ন্যায়াধিকৰণে যি পন্থা গ্ৰহণ কৰিছে, সেইটোৱেই প্ৰমাণিত হোৱা যেন নালাগে আৰু গোচৰত উপলব্ধ নথিপত্ৰ অনুসৰি মৃতকৰ মাহিলী আয় ১৪,০০০/- টকা (চৈধ্য হাজাৰ টকা) হোৱা যেন লাগে। তদুপৰি, বিদ্বান ন্যায়াধিকৰণে ভৱিষ্যতৰ সম্ভাৱনাৰ ওপৰত সুত প্ৰদান কৰা যেন লাগে যিটো বৰ্তমানৰ আইন অনুসৰি গ্ৰহণযোগ্য নহয়। সেয়েহে এই আদালতৰ বিবেচনা কৰা মতামত হৈছে যে গোচৰটো আৰু অন্যান্য দিশবোৰ গভীৰভাৱে নাযাকৈ, বিদ্বান এমটাৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ, কাছৰৰ দ্বাৰা গৃহীত ১৭.০২.২০০২ তাৰিখৰ বিতৰ্কিত ৰায় আৰু আদেশত হস্তক্ষেপৰ প্ৰয়োজন যি সেই অনুসৰি কৰা হয়।

৭) গতিকে প্ৰতিদ্বন্দ্বিতাকাৰী পক্ষসমূহৰ বাবে বিদ্বান অধিবক্তাৰ সহায় সহায়ত তলত দিয়া ধৰণেৰে দিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হ'ল।

(i) বাৰ্ষিক দৰমহা

| | |
|---|---|
| ১৪,০০০/- x ১২ | = ১,৬৮,০০০/- টকা। |
| কৰ্তন (১,৬৮,০০০/- টকাৰ ১/৪) = | ৪২,০০০/- টকা। |
| | ১,২৬,০০০/- টকা। |

(ii) ভৱিষ্যতৰ সম্ভাৱনা

১,২৬,০০০/টকআৰ ২৫%- = ৩১,৫০০/- টকা ।

(iii) গুণনীয়ক ১৪ হিচাপে প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণঃ

(১,২৬,০০০/- টকা x ১৪) + (৩১,৫০০ টকা x ১৪)

১৭,৬৪,০০০/-টকা(সুত বহন) + ৪,৪১,০০০/- টকা(সুতবিহীন)

মুঠ ধনৰাশি : ২২,০৫,০০০/- টকা।

৮)এইটো স্পষ্ট কৰা হৈছে যে বিদ্বান ন্যায়াধিকৰণে প্ৰদান কৰা ৭% শতাংশ সুতৰ হাৰ অৱশ্যে অক্ষত থাকিব। ওপৰত উল্লেখ কৰা অনুসৰি, ওপৰোক্ত পৰিমাণৰ ভিতৰত কেৱল ভৱিষ্যত সম্ভাৱনাৰ শীৰ্ষত থকা টকাৰ পৰিমাণ ৪,৪১,০০০/-(চাৰি লাখ চল্লিশ হাজাৰ) টকাই সুদ বহন নকৰে। কিন্তু ১৭,৬৪,০০০/- টকা (সোতৰ লাখ চৌষষ্ঠি হাজাৰ) টকাৰ ওপৰত সুত জমা হ'ব।

৯) সেই অনুসৰি আপীলৰ মঞ্জুৰ কৰা হ'ল আৰু বিবাদিত ৰায়টো ওপৰত উল্লেখ কৰা ধৰণে সংশোধন কৰা হ'ল।

১০) মটৰ দুৰ্ঘটনা দাবী আপীল ০১/২০২১ৰ সৈতে জড়িত ২৫,০০০/- টকাৰ বিধিগত জমা ধন বীমা কোম্পানী (নিউ ইণ্ডিয়া এশ্বুৰেন্স কোম্পানী লিমিটেড)ক ঘূৰাই দিব লাগিব।

**বিচাৰক**

মোকাবিলা সহায়ক

অনুবাদক: মোবাৰক হুছাইন, জ্যেষ্ঠ অনুবাদক

গুৱাহাটী উচ্চ ন্যায়ালয়